NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 27-11-2026
Time : 1340 Hrs.

Assamese Midday Bulletin

HEADLINES

১। দুদিনীয়া কার্যসূচীৰে কেৰলমত উপস্থিত হোৱা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি কালাডিত থকা আদি শংকৰাচাৰ্যৰ জন্মভূমি মন্দিৰ দৰ্শন কৰে।

২। কেন্দ্ৰীয় চৰকাৰৰ বিশেষ অনুৰোধত সংসদৰ দুয়োখন সদনৰ কাম-কাজ পুনৰ আৰম্ভ কৰিবলৈ লোৱা হৈছে।

৩। অসমৰ কন্যা শিশুসকলৰ ভৱিষ্যত সু�ৰক্ষাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে আপোচবিহীন স্থিতি গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

আৰু

৪। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ চলিত দুখনীয়া ক্ৰিকেট টেষ্ট শৃংখলাৰ দ্বিতীয়খন টেষ্ট আজিৰেপৰা ক্ৰাইষ্ট ছার্চৰ হেংলি অ'ভেলত অনুষ্ঠিত হৈছে।

০০০০০০

দুদিনীয়া কার্যসূচীৰে কেৰলমত উপস্থিত হোৱা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি কালাডিত থকা আদি শংকৰাচাৰ্যৰ জন্মভূমি মন্দিৰ দৰ্শন কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কোচিন আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হৈ দিনৰ ১১ বজাত মন্দিৰ দৰ্শন কৰে। কেৰলমৰ ৰাজ্যপাল ওম প্ৰকাশ মাথুৰ, উচ্চ শিক্ষা মন্ত্ৰী ৰোজী এন জন আৰু পি এ মুৰালী, প্ৰশাসক শ্ৰীনেগেৰী মাঠ আৰু অন্যান্য উচ্চ বিষয়াবৰ্গই ৰাষ্ট্ৰপতিগৰাকীক আদৰণি জনায়। ৰাষ্ট্ৰপতিগৰাকীক পৰম্পৰাগত পূৰ্ণ কুম্ভামেৰে আধৰণি জনোৱাৰ পাছত তেওঁ মন্দিৰত প্ৰৱেশ কৰে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, ইয়াৰ পাছত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু ত্ৰিশূৰত বৈদ্যৰত্নম আয়ুৰ্বেদ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। কেৰলমৰ ৰাজ্যপাল ওম প্ৰকাশ মাথুৰ, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী সু�ৰেশ গোপী, কে মুৰুলীধৰণকে ধৰি ভালেমান বিশিষ্ট ব্যক্তিয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ত্ৰিশূৰৰ লুলু আন্তঃৰাষ্ট্ৰীয় সন্মিলন কেন্দ্ৰত এই সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বিয়লিৰ ভাগত ৰাষ্ট্ৰপতিগৰাকীয়ে গুৰু বায়ুৰত শ্ৰীকৃষ্ণ মন্দিৰ দৰ্শন কৰিব। ভ্ৰমণৰ দ্বিতীয় দিনা অৰ্থাৎ কাইলৈ ৰাষ্ট্ৰপতিয়ে কন্নুৰৰ এঝিমলাত থকা ভাৰতীয় নৌসেনা একাডেমীত শৰৎকালীন দীক্ষান্ত সমাৰোহত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে কেইবাখনো বিদেশী বন্ধুৰাষ্ট্ৰৰ কেডেটসহ বিভিন্ন পাঠ্যক্ৰমৰ ৪০০গৰাকী বিষয়া-প্ৰশিক্ষাৰ্থীয়ে এই দীক্ষান্ত সমাৰোহত ভাগ ল'ব।

০০০০০০

কেন্দ্রীয় চৰকাৰৰ বিশেষ অনুৰোধত সংসদৰ দুয়োখন সদনৰ কাম-কাজ পুনৰ আৰম্ভ কৰিবলৈ লোৱা হৈছে। সেই অনুসৰি নিম্ন সদন লোকসভা সোমবাৰৰ পৰা পুনৰ অনুষ্ঠিত হ'ব। আনহাতে, ৰাজ্যসভাৰ কাম-কাজ বুধবাৰৰ পৰা পুনৰ আৰম্ভ কৰা হ'ব। চৰকাৰৰ কেতবোৰ প্ৰয়োজনীয় সিদ্ধান্ত গ্ৰহণৰ পৰিপ্ৰেক্ষিততে সংসদৰ দুয়োখন সদনৰ কাম পুনৰ আৰম্ভ কৰিবলৈ লোৱা হৈছে। এই চমু বৈঠকৰ ৩ ডিচেম্বৰত অন্ত পৰাৰ সম্ভাৱনা আছে। এই সময়ছোৱাত কোনোধৰণৰ প্ৰশ্নোত্তৰ কাল, শূন্য কাল আৰু কোনো সদস্যৰ ব্যক্তিগত বিষয়ৰ আলোচনাৰ অৱকাশ নাথাকিব। চৰকাৰৰ এটা প্ৰস্তাৱৰ পৰিপ্ৰেক্ষিততে সংসদৰ দুয়োখন সদনৰ এই বিশেষ অধিৱেশন আহ্বান কৰা হৈছে। আমাৰ সংবাদদাতাই লোকসভা বুলেটিনৰ উদ্ধৃতি দি জনোৱা অনুসৰি অধ্যক্ষ ওম বিৰলাই নিৰ্দেশ দিয়ে যে ১৩ আগষ্টত অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা সদনৰ কাম-কাজ সোমবাৰে দিনৰ ১১ বজাত পুনৰ আৰম্ভ কৰা হ'ব। একেদৰে ৰাজ্যসভা বুলেটিনত কোৱা হৈছে যে ১৩ আগষ্টত অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা উচ্চ সদনৰ কাম সভাপতি চি পি ৰাধাকৃষ্ণণে বুধবাৰে দিনৰ ১১ বজাত পুনৰ আৰম্ভ কৰিব। ইয়াৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰে নিম্ন সদনৰ অধ্যক্ষ আৰু উচ্চ সদনৰ সভাপতিক এই নিৰ্দিষ্ট দিনকেইটাত সদনৰ কাম-কাজ পুনৰ আৰম্ভ কৰিবলৈ অনুৰোধ জনাইছিল। উভয় সদন ১৩ আগষ্টত স্থগিত ৰখাৰ পৰিপ্ৰেক্ষিতত সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ সমাপ্তি ঘোষণা কৰা হোৱা নাছিল।

০০০০০০০

———বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে কয়, যে ভাৰত আৰু আমেৰিকাৰ মাজত বাণিজ্যিক চুক্তি এতিয়া চূড়ন্ত হোৱাৰ লগতে শিখৰত উপনীত হৈছে। নতুন দিল্লীত ভাৰত ঋণ মূলধনী বজাৰ সম্মিলনত ভাষণ দি শ্ৰী গোৱেলে কয়, যে কেতবোৰ প্ৰক্ৰিয়াৰ বাবে দ্বিপাক্ষিক চুক্তিখন পিছু�ৰাই ৰখা হৈছিল যদিও এতিয়া ই অন্তিম পৰ্যায়ত উপনীত হৈছে। মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে যে, ভাৰত-ইউৰোপীয় ইউনিয়নৰ এফ টি এ চলিত বৰ্ষৰ শেষ ফালে কাৰ্যকৰী আৰু স্বাক্ষৰিত হ'ব। অহা বছৰৰ মাৰ্চ বা এপ্ৰিলৰ ভিতৰত ইয়াক কাৰ্যকৰী কৰা হ'ব।

(বাইট)

০০০০০০০

অসমৰ কন্যা শিশুসকলৰ ভৱিষ্যত সু�ৰক্ষাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে আপোচবিহীন স্থিতি গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ নিজৰ পৃষ্ঠাত ডঃ শৰ্মাই কয়, যে বাল্য বিবাহমুক্ত এখন সুৰক্ষিত আৰু শিক্ষিত অসম গঢ়াৰ দিশত ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব লোৱাৰ দিন ধৰি বাল্য বিবাহ ৰোধৰ লগতে এইক্ষেত্ৰত সজাগতা সৃষ্টি কঠোৰ আইন প্ৰয়োগ, নাৰী শিক্ষাৰ প্ৰচাৰ আদিত গুৰুত্ব দি আহিছে বুলিও ডঃ শৰ্মাই উল্লেখ কৰে। তেওঁ কয়, যে প্ৰতিগৰাকী কন্যা শিশুৱে যাতে, সপোন দেখাৰ শিক্ষা গ্ৰহণৰ আৰু নিজৰ ভৱিষ্যত নিজে গঢ়াৰ অধিকাৰ লাভ কৰে, সেয়া সুনিশ্চিত কৰাই হৈছে চৰকাৰৰ লক্ষ্য। মুখ্যমন্ত্ৰীগৰাকীয়ে এই প্ৰসংগত ২০২১ বৰ্ষৰ পৰা বৰ্তমানলৈকে বাল্য বিবাহ গোচৰত গ্ৰেপ্তাৰ কৰা লোকৰ পৰিসংখ্যাও দিয়ে। সেই অনুসৰি মুঠ ছহেজাৰ ৭০৫ গৰাকীৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হৈছে। পৰিসংখ্যা অনুসৰি ৰাজ্যখনত ২০২১ চনত ১৩২, ২০২২ চনত ২৭৮, ২০২৩ চনত ৪ হাজাৰ ৮৫৩, ২০২৪ চনত ৬২৩, ২০২৫ চনত ১৭৩ আৰু চলিত বছৰৰ বৰ্তমানলৈকে ৬৪৬ গৰাকী লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত পৰহিলৈ হ'বলগীয়া ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণৰ বাবে অসমৰ পৰা ১৪০০ শিক্ষার্থী, অধ্যাপক-অধ্যাপিকা আৰু চৰকাৰী কর্মচাৰী কালি নিশা ৰে'লযোগে দিল্লীলৈ ৰাওনা হয়। ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকা এক্সপ্ৰেছেৰে ৰাওনা হোৱা দলটোৰ যাত্ৰাৰ গুৱাহাটী ৰে'ল ষ্টেচনত শিক্ষামন্ত্রী ডাঃ ৰণোজ পেগুৱে পতাকা জোকাৰি শুভাৰম্ভ কৰে। ৰাজ্য চৰকাৰৰ উদ্যোগত শিক্ষার্থীসকলক সম্পূর্ণ বিনামূলীয়াকৈ দিল্লীলৈ লৈ যোৱাৰ ব্যৱস্থা কৰা হৈছে।

প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ উপস্থিতিত হ'বলগীয়া এই অনুষ্ঠানৰ প্রস্তুতিৰ বুজ লোৱাৰ লগতে চলি থকা আখৰা পৰিদর্শন কৰি মুখ্যমন্ত্রী ডঃ হিমন্ত বিশ্ব শর্মাই কালি মুম্বাইত অসমৰ লগতে দেশৰ কেইবাগৰাকীও বিশিষ্ট শিল্পী আৰু নৰপ্রজন্মৰ গায়ক-গায়িকাৰ সৈতে মিলিত হয়।

ইপিনে সামৰণি অনুষ্ঠানৰ প্রস্তুতিৰ বুজ ল'বলৈ মন্ত্রী কেশৰ মহন্তও কালি ভাৰত মণ্ডপমত উপস্থিত হয়। অনুষ্ঠানৰ মঞ্চ সজ্জা, প্রেক্ষাগৃহ আৰু অতিথিৰ আসন ব্যৱস্থাপনাকে ধৰি বিভিন্ন দিশ পৰিদর্শন কৰি মন্ত্রীগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। ইয়াৰ পাছত মন্ত্রীগৰাকীয়ে নিশা নতুন দিল্লীৰ অসম ভৱনত অনুষ্ঠানৰ প্রস্তুতিৰ দায়িত্বত থকা সমিতিসমূহৰ যৌথ বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত মন্ত্রী অতুল বৰা, বিমল বৰা, জয়ন্ত মল্লবৰুৱা, পীযুষ হাজৰিকা, চৰণ বড়োৰ লগতে দায়িত্বপ্রাপ্ত বিষয়াসকল উপস্থিত থাকে।

০০০০০০

ভাৰতে নেপাললৈ ৮ কোটি ৯০ লাখ নেপালী মুদ্রাৰ আর্থিক সাহায্য আগবঢ়াইছে। এই ধনৰাশি দেশখনৰ বিদ্যালয় ভৱন, শিক্ষকৰ বাসভৱন আৰু মাষ্টাং জিলাৰ শ্রীজনবল মাধ্যমিক বিদ্যালয়ত এটা আৱাসগৃহ নির্মাণত ব্যয় কৰা হ'ব। এই প্রকল্পৰ বাবে কালি কাঠমাণ্ডুৰ ভাৰতীয় দূতাবাসৰ উপ-ৰাজদূত ড০ ৰাকেশ পাণ্ডে আৰু ঘৰপঝোং গ্রাম্য নিকায়ৰ অধ্যক্ষ মোহন সিং লালছনে যুটীয়াভাৱে আধাৰশিলা স্থাপন কৰে।

এই প্রকল্পটো দেশখনৰ গণ্ডকি প্রদেশৰ ঘৰপঝোং-২ত অৱস্থিত ভাৰত চৰকাৰৰ সমূহীয়া উন্নয়ন প্রকল্প কার্যসূচীৰ অধীনত স্থানীয় গ্রাম্য নিকায়ৰ জৰিয়তে ৰূপায়ণ কৰা হ'ব। ভাৰতে মাষ্টাং জিলাত এই পদক্ষেপৰ অধীনত ৰূপায়ণ কৰা এইটো হৈছে ১৮ সংখ্যক প্রকল্প। এই সাহায্যই ভাৰত আৰু নেপালৰ মাজত উন্নয়নমূলক অংশীদাৰিত্বৰ ছবি প্রতিফলিত কৰিছে। এই প্রকল্পসমূহৰ জৰিয়তে ভাৰতে নেপালৰ উন্নয়নমূলক কাম-কাজৰ সমর্থন কৰি শিক্ষাকে ধৰি মুখ্য ক্ষেত্রসমূহৰ আন্তঃগাঁথনি শক্তিশালী কৰাত সাহায্য আগবঢ়াইছে।

০০০০০০০

ভাৰতীয় বায়ুসেনা বাহিনীয়ে আজি পুণেৰ লহেগাঁও বায়ুসেনা কেন্দ্রত **আপোনাৰ সেনাক জানক** অভিযানৰ অংশৰূপে ভাৰতীয় বায়ুসেনাৰ শক্তি আৰু পৰিচালনাৰ সামর্থ্য প্রদর্শন কৰে। অনুষ্ঠানটোত আকাশ গংগা দলৰ আকর্ষণীয় স্কাই ড্রাইভিং প্রদর্শনেৰে আৰম্ভ হোৱাৰ লগতে **এছ ইউ-থার্টী এম কে আই** যুঁজাৰু বিমানৰ প্রদর্শন উল্লেখযোগ্য আছিল। কার্যসূচীত চেটক হেলিকপ্তাৰৰ প্রদর্শনো অন্তর্ভুক্ত কৰা হৈছে।

সূর্য কিৰণ এৰ'বেটিক দলে অনবদ্য প্রদর্শন কৰাৰ লগতে সাৰংগ হেলিকপ্তাৰ প্রদর্শন দলে ব্যতিক্রমী উৰণ দক্ষতা প্রদর্শন কৰে। এই কার্যসূচীয়ে ভাৰতীয় বায়ুসেনা বাহিনীৰ উচ্চ মানসম্পন্ন প্রশিক্ষণ, সমন্বয় আৰু বৃত্তিমুখী দক্ষতাক আলোকপাত কৰিছে।

বিমান আৰু সেনাবাহিনীৰ বিভিন্ন সা-সঁজুলিৰে এখন প্ৰদৰ্শনীৰো ব্যৱস্থা কৰা হয়। ইয়াৰ জৰিয়তে দৰ্শকসকলক ভাৰতীয় বায়ুসেনাৰ শেহতীয়া প্ৰযুক্তি, সা-সঁজুলি আৰু পৰিচালনা সামৰ্থ্যৰ বিষয়ে অৱগত কৰোৱাৰ প্ৰয়াস কৰা হয়।

oooooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ চলিত দুখনীয়া ক্ৰিকেট টেষ্ট শৃংখলাৰ দ্বিতীয়খন টেষ্ট আজিৰেপৰা ক্ৰাইষ্ট ছাৰ্চৰ হেংলি অ'ভেলত অনুষ্ঠিত হৈছে। টছত জয়ী হৈ ভাৰতীয় দলৰ অধিনায়ক শুভমন গীলে প্ৰথমে নিউজিলেণ্ডক বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। দিনান্তত ঘৰুৱা দলটোৱে প্ৰথম ইনিংছত পাঁচটা উইকেটৰ বিনিময়ত ২৪৬ ৰাণ সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ ইনিংছ মুকলি কৰা অধিনায়ক ল'থামে ৫৯ ৰান কৰি আউট হয়। ভাৰতৰ হৈ আকাশদীপে দুটা উইকেট লাভ কৰে। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ প্ৰথমখন টেষ্ট ড্ৰ হৈছিল।

oooooooo

সমাপ্ত